**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দুদিনীয়া কাৰ্যসূচীৰে চীনত উপস্থিত হোৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি দেশখনৰ উপ-ৰাষ্ট্ৰপতি হান ঝিঙৰ সৈতে বেইজিঙত বৈঠকত মিলিত হয়।

২। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিশাখাপট্টনমত দুদিনীয়া BIMSTEC বন্দৰ সন্মিলন উদ্বোধন কৰে।

৩। নেচনেল হেৰল্ডৰ ক'লা ধন বৈধকৰণৰ গোচৰত কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্যান্যসকলৰ বিৰুদ্ধে দিল্লীৰ ৰাউজ এভিনিউ আদালতে ৰায় সংৰক্ষিত ৰাখিছে।

৪। ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু AXIOM-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীৰ ওভতনি যাত্ৰা আজি আৰম্ভ হ'ব।

আৰু

৫। লৰ্ডছ্ টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰি উইকেটত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০০০

দুদিনীয়া কাৰ্যসূচীৰে চীনত উপস্থিত হোৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি দেশখনৰ উপ-ৰাষ্ট্ৰপতি হান ঝিঙৰ সৈতে বেইজিঙত বৈঠকত মিলিত হয়। ড° জয়শংকৰে এই বৈঠকত জটিল আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত আৰু চীনৰ মাজত মতামত আৰু দৃষ্টিভংগীৰ মুকলি বিনিময়ৰ পোষকতা কৰে। দুয়োদেশৰ মাজৰ সম্পৰ্কৰ ধাৰাবাহিক সুস্থিৰতাই দেশ দুখনক পাৰস্পৰিক সুফল দিব বুলিও তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ মাজত বিগত বছৰৰ অক্টোবৰত কাজানত হোৱা বৈঠকৰ পাছত দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক ক্ৰমাৎ উন্নত হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ ভ্ৰমণকালত দেশখনৰ শীৰ্ষ নেতাসকলৰ সৈতে কৰিবলগীয়া আলোচনাই এই দিশত ইতিবাচক ফলাফল প্ৰশস্ত কৰিব বুলি ড° জয়শংকৰে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কৈলাস মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰাৰ বাবে দেশখনৰ সিদ্ধান্তক ভাৰতে বহুলভাৱে প্ৰশংসা কৰিছে বুলি উল্লেখ কৰে। তেওঁ কাইলৈ টিয়ানজিন চহৰত অনুষ্ঠিত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থা এচ চি অ'ৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। বিদেশমন্ত্ৰীসকলে বিভিন্ন খণ্ডত এচ চি অ'ৰ সহযোগিতাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। ভাৰত, চীন, ৰাছিয়া, কাজাখস্তান, কিৰ্গিস্তান, তাজিকিস্তান, পাকিস্তান আৰু বেলাৰুচ এই ১০ খন ৰাষ্ট্ৰক লৈ ছাংহাই সহযোগিতা সংস্থা গঠন হৈছে। বৰ্তমান চীন এই সংস্থাৰ অধ্যক্ষ ৰাষ্ট্ৰ আৰু দেশখনে বিদেশমন্ত্ৰীসকলৰ এই বৈঠক আহ্বান কৰিছে। চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ সৈতেও ড° জয়শংকৰে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। দুয়োগৰাকী নেতাই দেশ দুখনৰ দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাৰ দিশত আলোচনা কৰাৰ লগতে উভয় দেশৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমা বিবাদ সম্পৰ্কেও আলোচনা কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিশাখাপট্টনমত দুদিনীয়া BIMSTEC বন্দৰ সন্মিলন উদ্বোধন কৰে। এই বন্দৰ সন্মিলনত বংগোপ সাগৰ উপকূলীয় ৰাষ্ট্ৰসমূহৰ মাজত আঞ্চলিক সামুদ্ৰিক যোগাযোগ আৰু সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতা সন্দৰ্ভত পৰ্যালোচনা কৰা হ'ব। অনুষ্ঠানত ভাষণ দি শ্ৰী সোণোৱালে কয়, যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিয়ে আঞ্চলিক সামুদ্ৰিক খণ্ডত সহযোগিতাৰ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত

ইয়াৰ দায়বদ্ধতাৰ উদাহৰণ দাঙি ধৰিছে। তেওঁ কয়, যে হৰিৎ সাগৰ আৰু সেউজ বন্দৰৰ দৰে বিভিন্ন পদক্ষেপসমূহে জল পৰিবহণৰ জৰিয়তে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত বিশেষ ভূমিকা পালন কৰিছে।

বাইট

বিশাখাপট্টনম বন্দৰ প্ৰাধিকৰণৰ অধীনত দুদিনীয়াকৈ আয়োজন কৰা BIMSTEC বন্দৰ সন্মিলনৰ বিষয়বস্তু হৈছে – 'সামুদ্ৰিক অৰ্থনীতি, উদ্ভাৱন আৰু বহনক্ষম অংশীদাৰিত্ব'। এই সন্মিলনত BIMSTEC-ৰ সদস্য ৰাষ্ট্ৰ বাংলাদেশ, ভূটান, ভাৰত, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ সংশ্লিষ্ট মন্ত্ৰালয়ৰ প্ৰতিনিধি আৰু বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

নেশ্যনেল হেৰাল্ডৰ ক'লা ধন বৈধকৰণৰ গোচৰত জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী আৰু অন্যান্যসকলৰ বিৰুদ্ধে বিধি বলবৎকাৰী সঞ্চালকালয়ৰ অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি দিল্লীৰ ৰাউজ এভিনিউ আদালতে আজি নিজৰ ৰায় সংৰক্ষিত ৰাখিছে। আদালতে অহা ২৯ জুলাইত ৰায় প্ৰদানৰ বাবে বিষয়টো তালিকাভুক্ত কৰিছে। এই বিষয়টো কংগ্ৰেছৰ নেতাকেইগৰাকীৰ বিৰুদ্ধে নেশ্যনেল হেৰাল্ড গোচৰৰ ক'লা ধন বৈধকৰণৰ উত্থাপিত অভিযোগ সন্দৰ্ভত পৰিপূৰক অভিযোগনামাৰ সাক্ষ্য প্ৰমাণ গ্ৰহণৰ সৈতে জড়িত।অভিযুক্তসকলে অভিযোগনামাৰ সত্যাসত্য নিৰূপণ সন্দৰ্ভত বিধি বলবৎকাৰী সঞ্চালকালয়ৰ আবেদনৰ বিৰোধিতা কৰি অভিযোগ অস্বীকাৰ কৰিছে। বিধি বলবৎকাৰী সংস্থাটোৱে নেশ্যনেল হেৰাল্ডৰ প্ৰকাশক এছ'চিয়েটেড জাৰ্নেলছ লিমিটেডৰ সম্পত্তি প্ৰৱঞ্চনামূলকভাৱে অধিগ্ৰহণ কৰা দুহেজাৰ কোটি টকাৰো অধিক ক'লা ধন ইয়ং ইণ্ডিয়ানৰ দ্বাৰা সৰবৰাহ হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। কংগ্ৰেছৰ একাধিক নেতা ইয়ং ইণ্ডিয়ান কোম্পানীটোৰ অংশীদাৰ বুলি উল্লেখ কৰা হৈছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাইজেৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মহম্মদো বুহাৰিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এটা শোকবাৰ্তাত প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীৰ বুদ্ধিমত্তা আৰু ভাৰত-নাইজেৰিয়া মিত্ৰতাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতা অদ্বিতীয় আছিল বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে বিভিন্ন অনুষ্ঠানত মহম্মদো বুহাৰিৰ সৈতে হোৱা বৈঠক তথা মত বিনিময়ক সোঁৱৰে। তেওঁ লগতে প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীৰ পৰিয়াল তথা নাইজেৰিয়া চৰকাৰ আৰু জনসাধাৰণলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

০০০০০০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু Axiom-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীৰ ওভতনি যাত্ৰা আজি আৰম্ভ হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে, আজি বিয়লি চাৰে ৪ বজাত আনডকিং প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ লগতে কয় যে ভাৰতীয় সময় অনুসৰি কাইলৈ বিয়লি ৩ বজাত মহাকাশচাৰীকেইজনে পৃথিৱীত পদাৰ্পণ কৰিব। অৱতৰণৰ পিছত গ্ৰুপ কেপ্তেইন শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন তিনিগৰাকী সদস্যৰ সৈতে ১৪ দিনীয়া অভিযানৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ গৈছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হৈছে।

০০০000

ভাৰতৰ বিজ্ঞান আৰু দৃঢ় সংকল্পৰ এটা ঐতিহাসিক সফলতা CHANDRAYAAN-তিনিয়ে আজি দুবছৰ সম্পূৰ্ণ কৰিলে। এই অভিযানৰ মূল উদ্দেশ্য আছিল চন্দ্ৰৰ দক্ষিণ মেৰুৰ সমীপৰ ওখ স্থানত এখন লেণ্ডাৰ আৰু ৰ'ভাৰ স্থাপন কৰা তথা লেণ্ডিং আৰু ৰ'ভিঙৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো প্ৰদৰ্শন কৰা। ২০২৩ চনৰ আজিৰ দিনটোতে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানে বিকশাই তোলা LVM3 M4 ৰকেটে CHANDRAYAAN-তিনিক ইয়াৰ কক্ষপথত সফলভাৱে স্থাপন কৰিছিল।

০০০০০০০০০

চলিত বছৰৰ কৈলাস মানসৰোবৰ যাত্ৰীৰ ষষ্ঠ দলটো নাথুলা হৈ আজি বিয়লি ছিকিমত উপস্থিত হ'ব। এই দলটোত দুগৰাকী জনসম্পৰ্কৰক্ষী বিষয়া, এগৰাকী ভাৰত-তিববত সীমান্ত আৰক্ষীৰ চিকিৎসক আৰু ৪৫ গৰাকী যাত্ৰীসহ মুঠ ৫২ জন লোক আছে। তদুপৰি চাৰিজন সহযোগী সদস্য গেংটকত বাহৰ পাতি আছে।

000000000

পশ্চিম ছুডানৰ উত্তৰ কৰ্দোফান প্ৰদেশত Rapid Support Forces চমুকৈ RSF অৰ্ধ সামৰিক বাহিনীৰ আক্ৰমণত কমেও ১৮ জন অসামৰিক লোক নিহত হোৱাৰ লগতে ৩১ জন আহত হয়। Sudanese Doctors Network নামৰ এটা স্বেচ্ছাসেৱী গোটে এই হিংসাত্মক আক্ৰমণক সকলো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় আলোচনা আৰু মানৰীয় প্ৰমূল্যৰ উলংঘন বুলি প্ৰকাশ কৰিছে। স্বেচ্ছাসেৱী গোটটোৱে লগতে কয়, যে এই আক্ৰমণে নিৰস্ত্ৰ জনসাধাৰণক লক্ষ্য কৰি চলোৱা RSF-ৰ অভিযানক প্ৰতিফলিত কৰাৰ উপৰি পূৰ্বে নিৰাপদ স্থানসমূহত আতংক বিয়পাইছে। উল্লেখযোগ্য যে উত্তৰ কৰ্দোফানৰ ৰাজধানী এল ওবেইডৰ এখন গুৰুত্বপূৰ্ণ চহৰ - বাৰাতত ছুডানৰ সামৰিক বাহিনী আৰু RSF-ৰ মাজত যোৱা জুনৰে পৰা যুদ্ধ চলি আহিছিল। RSF-এ এই চহৰখন অধিগ্ৰহণ কৰিবলৈ চেষ্টা কৰাৰ পৰিপ্ৰেক্ষিতেতে এই যুদ্ধৰ সূত্ৰপাত হয়। ইয়াৰ পূৰ্বে RSF-সেনাই সামাজিক মাধ্যমত এটা ভিডিঅ' বাৰ্তাযোগে ওম্মা ছুমেমাই এলেকাত নিজৰ নিয়ন্ত্ৰণৰ কথা দাবী কৰিছিল। ২০২৩ চনৰ পৰাই ছুডানত সামৰিক বাহিনী আৰু RSF-ৰ মাজত চলি থকা সংঘৰ্ষত ১০ হাজাৰতকৈ অধিক লোকৰ মৃত্যু হোৱাৰ লগতে লাখ লাখ লোক স্থানান্তৰিত হৈছে।

0000000

আমেৰিকাই যুদ্ধবিধ্বস্ত ইউক্ৰেইনক ৰাছিয়াৰ বিৰুদ্ধে যুঁজত সহায় কৰিবলৈ দেশখনলৈ পেট্ৰিয়াটৰ বায়ু প্ৰতিৰক্ষা সা-সঁজুলি প্ৰেৰণ কৰিব। মেৰিলেণ্ডৰ জইন্ট বেছ এণ্ড্ৰুজত সংবাদ মাধ্যমৰ আগত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে তেওঁ এতিয়াও ইউক্ৰেইনক দিবলগীয়া পেট্ৰিয়াট ক্ষেপনাস্ত্ৰৰ সংখ্যাক লৈ একমত নহয় যদিও সুৰক্ষাৰ দিশত প্ৰয়োজনীয়তাৰ হেতুকে তেওঁলোকলৈ কিছুসংখ্যক প্ৰেৰণ কৰা হ'ব।তেওঁ কয় যে ইয়াৰ বাবে আমেৰিকাই নহয়, ইউৰোপীয় সংঘই পুজিৰ যোগান দিছে বুলি উল্লেখ কৰে।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক লৈ অসন্তুষ্টি ব্যক্ত কৰি তেওঁ কয় যে আমেৰিকাই ইউক্ৰেইনলৈ পেট্ৰিয়াট বায়ু প্ৰতিৰক্ষা সঁজুলি প্ৰেৰণ কৰিব কিয়নো এয়া তেওঁলোকৰ বাবে প্ৰয়োজনীয় । পুটিনৰ কাৰ্য কলাপে বহু লোকক আচৰিত কৰি তুলিছে বুলি তেওঁ কয়।

000000

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। কালি খেল সামৰাৰ পৰলৈকে কে এল ৰাহুলে ৩৩ ৰান কৰি খেলি আছিল। লৰ্ডছ টেষ্ট জয়ৰ বাবে ভাৰতক সম্প্ৰতি ১৩৫ ৰানৰ প্ৰয়োজন। চতুৰ্থ দিনৰ শেষৰটো বলত কালি ইংলেণ্ডৰ অধিনায়ক বেন ষ্টকছে আকাশ দীপক মাত্ৰ ১ ৰানতে আউট কৰে। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৯২ ৰান কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৪টা, মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ইনিংছ আৰম্ভ কৰিয়েই জোফ্ৰা আৰ্চাৰৰ বলত য়শস্বী জয়ছোৱালৰ উইকেট হেৰুৱাই বিপৰ্যয়ৰ সন্মুখীন হয়। ইপিনে, অধিনায়ক শুভমন গিল আৰু কৰুণ নায়াৰ ব্ৰাইডন কাৰ্চৰ বলত আউট হৈ পেভিলিয়নলৈ ওভতে।

0000000

সমাপ্ত